

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৬

মোগল ৰাজত্ব কালত ভাৰতবর্ষ

অংশ – ২


পৰিনীতা দেৱী

শিকনৰ ফলাফল

- মোগলৰ ভূমি নীতি, ৰাজহ ব্যৱস্থা আৰু মনচবদাৰী প্ৰথাৰ বিষয়ে জানিব পাৰিব।
- মোগল যুগৰ অৰ্থনৈতিক ব্যৱস্থাৰ বিষয়ে অৱগত হব।

ছেৰছাহ





সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

শূৰ বংশ

- ১৪৭২ খ্ৰীষ্টাব্দত পঞ্জাৱত জন্মগ্ৰহণ কৰা ছেৰ ছাহে দিল্লীত শূৰ বংশ প্ৰতিষ্ঠা কৰিছিল।
- এজন সাধাৰণ জাগীৰদাৰৰ পুত্ৰ হোৱাৰ পিছতো তেওঁ চৌচাৰ যুদ্ধত হুমায়ুনক পৰাস্ত কৰি (১৫৩৯ খ্ৰীষ্টাব্দ) দিল্লী আৰু আগ্ৰা দখল কৰি দিল্লীৰ চুলতান হয়।
- তেওঁ মাত্ৰ পাঁচ বছৰহে শাসন কৰিছিল, তথাপিও তেওঁৰ প্ৰশাসনে ভাৰতীয় ইতিহাসত এক উল্লেখযোগ্য যুগ চিহ্নিত কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ছেৱছাহে সামৰিক, সাধাৰণ প্ৰশাসন, ধৰ্মীয় আৰু ভূমি নীতি, অৰ্থনীতি, মুদ্ৰা আৰু কৰ ব্যৱস্থা, বাণিজ্য, আৰু ডাক সেৱাৰ সংস্কাৰ কৰিছিল।
- বিশেষকৈ পুলিচ সেৱা প্ৰৱৰ্তন, কৰ বিষয়া নিয়োগ, ভূমি পট্টা প্ৰদান, ৰূপৰ মুদ্ৰা ৰূপীৰ প্ৰচলন, গ্ৰেণ্ড ট্ৰাংক ৰোড নিৰ্মাণ, ডাক ব্যৱস্থাত ঘোঁৰাৰ প্ৰয়োগ তেওঁৰ শাসন কালৰ অন্যতম কীৰ্তি।

ভূমি নীতি





समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- প্ৰথম অৱস্থাত মোগলসকলে পূৰ্বৰ চুলতানসকলৰ ভূমি নীতি অনুসৰণ কৰিছিল। মাটিৰ গৰাকী আছিল ৰজা নিজেই।
- কৃষকসকলে কিছুমান চৰ্তত ৰজাৰ মাটিত খেতি কৰিছিল, আৰু তেওঁলোকৰ বংশধৰসকলে উত্তৰাধিকাৰী সূত্ৰে এই মাটি ভোগ কৰিব পাৰিছিল আৰু এই মাটি প্ৰয়োজন সাপেক্ষে অন্য কৃষকক বিক্ৰী কৰিব পাৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- ৰাজহ প্ৰথমে কাননগো নামৰ এক শ্ৰেণী বিষয়াই সংগ্ৰহ কৰিছিল, পিছলৈ দুৰ্নীতিৰ বাবে তাৰ ঠাইত কাৰৰি নামৰ এক শ্ৰেণীৰ নতুন বিষয়া নিযুক্তি দিয়ে।
- আকবৰ আৰু তেওঁৰ ৰাজীৰ টোডৰমলৰ হতুৱাই ভূমি জৰীপ কৰি ভূমীৰ গুণগত মানৰ ভিত্তিত চাৰিটা ভাগত ভাগ কৰিছিল।
- দহ বছৰৰ বাবে কৰ নিৰ্ধাৰণ কৰা হৈছিল, গড় উৎপাদিত সামগ্ৰীৰ এক তৃতীয়াংশ কৰ হিচাপে সংগ্ৰহ কৰা হৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- আকবৰে কৃষকৰ বাবে সহজ পৰিশোধৰ বিকল্পৰে ঋণৰ প্ৰৱৰ্তন কৰিছিল আৰু অপ্ৰয়োজনীয় কৰ আঁতৰাইছিল।
- চাৰিটা কৰ সংগ্ৰহৰ পদ্ধতি —

ক) দহচাল বা দহ বছৰীয়া পদ্ধতি

খ) জাবটি পদ্ধতি

গ) ঘালা বকচী

ঘ) নাচাক বা কাণকূট পদ্ধতি

জানি থওঁ আহা

- মোগলসকলে মাটিবোৰক চাৰি শ্ৰেণীত ভাগ কৰিছিল—

১। পোলাজ (যি বিলাক মাটিত প্ৰতিবছৰে খেতি হয়),

২। পাৰাউটি (যি বিলাক মাটিত মাজে-সময়ে খেতি বন্ধ কৰি মাটিখিনি উৰ্বৰ কৰা হয়)

৩। চাচ্চাৰ (যি মাটিত ৩/৪ বছৰ খেতি কৰা নহয়)

৪। বানজাৰ (যি মাটি ৫ বছৰ বা তাতোধিক কাল খেতি নোহোৱাকৈ পৰি থাকে)

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মনচবদাৰী প্ৰথা





সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৫৭৭

- মনচবদাৰী ব্যৱস্থা আছিল মোগল প্রশাসনৰ এটা মূল বৈশিষ্ট্য।
- মনচব হল এটা আৰবী শব্দ আৰু ইয়াৰ অর্থ হল পদ বা স্থান। সেয়ে মনচবদাৰ শব্দটোৱে পদ, মর্যাদা বা উপাধিৰ ইংগিত দিছিল।
- অনুশাসিত আৰু দক্ষ সশস্ত্র বাহিনী সংগঠিত কৰিবলৈ ১৫৭৭ খ্রীষ্টাব্দত আকবৰে এই প্রথাৰ প্রৱর্তন কৰে।
- মনচবদাৰসকলে সামৰিক আৰু অসামৰিক দুয়োটা ভূমিকাতে সেৱা আগবঢ়াইছিল।

- বংশগত নহয়; নিযুক্তি আৰু পদোন্নতি সম্ৰাটৰ ইচ্ছাৰ ওপৰত ভিত্তি কৰি কৰা হৈছিল।
- পদ মৰ্যদা অনুসৰি মনচবদাৰ সকলৰ পাৰিতোষিক নিৰ্দিষ্ট কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

মোগলযুগৰ অৰ্থনৈতিক অৱস্থা





সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- মোগলৰ অৰ্থনীতি কৃষি আৰু হস্তশিল্পৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল।
- জলবায়ু আৰু ভূমিৰ আঞ্চলিক পাৰ্থক্যৰ বাবে বিভিন্ন ধৰণৰ কৃষি পদ্ধতিৰ সৃষ্টি হয়।
- উত্তৰ ভাৰতত নীলা, গম, মছলা, বার্লি, বজ্ৰাৰ আদি খেতি কৰা হৈছিল; কপাহৰ খেতি মূলতঃ দক্ষিণ ভাৰতত কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৭০৭

- মোগলৰ হস্তশিল্পৰ চাহিদা বেছি আছিল, যাৰ ফলত হস্তনির্মিত কাপোৰ, গহনা, বাচন-বৰ্তনৰ বজাৰ ব্যৱস্থা বৃদ্ধি পাইছিল।
- বংগ আৰু লাহোৰৰ ৰেচম আৰু মছলিন কাপোৰৰ চাহিদা বেছি আছিল।
- ১৭০৭ খ্ৰীষ্টাব্দত ঔৰংগজেৱৰ মৃত্যুৰ পিছত মোগল সাম্ৰাজ্যৰ অৱনতি ঘটে।

समग्रा शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



১৭৩৯

- অৱনতিৰ কাৰণ: দুৰ্বল উত্তৰাধিকাৰী, আভ্যন্তৰীণ সংঘাত, সামৰিক দুৰ্বলতা, আৰু শিখ আৰু মাৰাথাৰ উত্থান।
- ১৭৩৯ খ্ৰীষ্টাব্দত নাদিৰ শ্বাহৰ আক্ৰমণে সাম্ৰাজ্যৰ ভেটি কঁপাই থৈ গৈছিল বুলি ক'ব পৰা যায়।।

মূল্যায়ন



1 মোগল সকলে মাটিবোৰক কেই শ্ৰেণীত ভাগ কৰিছিল।

A দুই

B তিনি

C চাৰি

মূল্যায়ন




2 প্রথম অৱস্থাত মোগলসকলে পূর্বৰ চুলতানসকলৰ ভূমি নীতি অনুসৰণ কৰিছিল। মাটিৰ গৰাকী আছিল ৰজা নিজেই।

A শুদ্ধ

B অশুদ্ধ

মূল্যায়ন





3 | ৰাজহ প্ৰথমে কাননসো..... নামৰ এক শ্ৰেণী বিষয়াই সংগ্ৰহ কৰিছিল।